অসম

নির্বাচন আয়োগক লৈ বিৰোধীৰ অভিযোগৰ সমালোচনা ‘প্রবুদ্ধ নাগৰিক সভা’ত

প্রকাশ: ১৮ নৱেম্বৰ ২০২৬, আবেলি ৪:৪৭



Prabuddha Nagarik Sabha held in Digboi (NewzNow)

ডিগবৈ, ১৮ নৱেম্বৰ: ডিগবৈ বিধানসভা সমষ্টিভিত্তিক নাগৰিক সমাজৰ উদ্যোগত ‘প্রবুদ্ধ নাগৰিক সভা’ এখন লুইত শিল্পী সমাজৰ প্রেক্ষাগৃহত অনুষ্ঠিত হয়। সভাত নির্বাচন আয়োগৰ কর্মপদ্ধতি, নীতি-নিয়মক লৈ বিৰোধী দলসমূহে উত্থাপন কৰা অভিযোগৰ তীব্র সমালোচনা কৰে শাসকীয় পক্ষৰ বক্তাসকলে।

সভাত উপস্থিত থাকি তিনিচুকীয়া সমষ্টিৰ বিধায়ক পুলক গোঁহাইয়ে ভাৰতবর্ষক স্বাধীনতাৰ পিছত এখন অগ্রণী দেশ হিচাপে প্রতিষ্ঠা কৰাৰ প্রসংগ উল্লেখ কৰে। বিদেশী শক্তিৰ প্রৰোচনাত নির্বাচন আয়োগৰ কাম-কাজ আৰু নীতি-নিয়মক লৈ বিৰোধী দলসমূহে তথ্য-প্রমাণবিহীনভাৱে আক্রমণ চলোৱা বুলি অভিযোগ উত্থাপন কৰি তেওঁ এনে কার্যক ধিক্কাৰ জনায়।

সভাৰ নির্দিষ্ট বক্তা হিচাপে অৱসৰপ্রাপ্ত কেন্দ্রীয় চৰকাৰৰ বিষয়া গোপাল চন্দ্র দাস, বিশিষ্ট অধিবক্তা কমলেশ চক্রৱর্তী আৰু গোর্খা ছাত্র সন্থাৰ অশোক কুমাৰ লামাই বক্তব্য আগবঢ়ায়।

ডিগবৈৰ বিধায়ক সুৰেন ফুকনেও সভাত বক্তব্য ৰাখি বিৰোধী দলসমূহক কঠোৰ ভাষাৰে সমালোচনা কৰে। বিৰোধীয়ে উত্থাপন কৰা তথ্যবিহীন আৰু মনেসজা অভিযোগসমূহক গুৰুত্ব নিদিবলৈ তেওঁ ৰাইজক আহ্বান

জনায়।

সভাত নাৰায়ণ জৈশী, ত্রিলোক গুপ্তাৰ লগতে কেইবাগৰাকীও গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/4165/nirbason-ayogok-loi-birodhir-abhijogor-somalosona-probuddh-nagorik-sobhat